# ষষ্ঠ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা

## ৯ — ১৬ অক্টোবৰ, ২০২৩ (পুৱা ৯ বজাৰপৰা সন্ধ্যা ৭ বজালৈ)

## স্থান ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয় চৌহদ

## প্ৰৱেশ বিনামূলীয়া ।। সকলো ব্যক্তিৰ বাবে মুকলি

নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত আয়োজিত

প্ৰতি

.................................................................................................................

# নিমন্ত্ৰণী পত্ৰ

নমস্কাৰ গ্ৰহণ কৰিব। অহা ইংৰাজী ৯ অক্টোবৰ তাৰিখৰপৰা ১৬ অক্টোবৰ তাৰিখলৈ নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত ষষ্ঠ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা আয়োজন কৰা হৈছে। আলোচনা-চক্ৰ, বক্তৃতা, কুইজ, কিতাপ আৰু আলাপ, সাহিত্য প্ৰতিযোগিতা, সাংস্কৃতিক কাৰ্যসূচী আদিৰে অনুষ্ঠিত হ'বলগীয়া এই গ্ৰন্থমেলালৈ আপোনাক / আপোনালোকক সাদৰ নিমন্ত্ৰণ জনালোঁ। গ্ৰন্থমেলাত সকলো কিতাপতে গ্ৰাহকসকলে ১০ শতাংশ ৰেহাই লাভ কৰিব।

নৰ্থ লখিমপুৰ কলেজে কিতাপ পঢ়াৰ আন্দোলনৰ অংশ হিচাপে ২০১৮ বৰ্ষৰপৰা চৌহদত নিজা উদ্যোগত গ্ৰন্থমেলা অনুষ্ঠিত কৰি আহিছে। ইতিমধ্যে অসমৰ বৌদ্ধিক জগতৰ সমাদৰ লাভ কৰা এই গ্ৰন্থমেলাৰ ইতিবাচক প্ৰভাৱে লিখা-পঢ়াৰ এটা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে। আপোনাৰ / আপোনালোকৰ উপস্থিতিয়ে নিশ্চিতভাৱে গ্ৰন্থমেলাখনক অধিক সমৃদ্ধ কৰিব। বিনীত—

| | | | |
|---|---|---|---|
| **ড° বিমান চন্দ্ৰ চেতিয়া** | **ড° অৰবিন্দ ৰাজখোৱা** | **ড° ৰাতুল কুমাৰ লাহন** | **ৰবীন শৰ্মা** |
| অধ্যক্ষ | সমন্বয়ক, প্ৰকাশন সমিতি | সহ-সমন্বয়ক, প্ৰকাশন সমিতি | সভাপতি, ছাত্ৰ একতা সভা |
| নৰ্থ লখিমপুৰ মহাবিদ্যালয় | নৰ্থ লখিমপুৰ মহাবিদ্যালয় | নৰ্থ লখিমপুৰ মহাবিদ্যালয় | নৰ্থ লখিমপুৰ মহাবিদ্যালয় |
| (স্বায়ত্তশাসিত) | (স্বায়ত্তশাসিত) | (স্বায়ত্তশাসিত) | (স্বায়ত্তশাসিত) |

প্ৰিয় কিতাপবোৰৰ সৈতে মনোৰম কেইটামান দিন

কিতাপ কিনাৰ আনন্দ

কিতাপ দেখাৰ আনন্দ

প্ৰিয় কিতাপখন চুই চোৱাৰ আনন্দ



# ষষ্ঠ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা

**০৯ - ১৬ অক্টোবৰ, ২০২৩**

**(পুৱা ৯ বজাৰপৰা সন্ধ্যা ৭ বজালৈ)**

## ।। কাৰ্যসূচী ।।

**০৯ অক্টোবৰ, ২০২৩ (সোমবাৰ)**++

পুৱা ৯-৩০ বজাত ঃ গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠান
উদ্বোধক ঃ **ড° অঞ্জন কুমাৰ ওজা**
বিশিষ্ট অতিথি ঃ **বৰ্ণালী কটকী ওজা**

দিনৰ ১২-০০ বজাত ঃ আলোচনা-চক্ৰ
আয়োজক ঃ **শিক্ষাতত্ত্ব বিভাগ**

সন্ধ্যা ৬-০০ বজাত ঃ **মামণি ৰয়ছম গোস্বামী ছাত্ৰী নিবাস**ৰ বৰ্ণাঢ্য অনুষ্ঠান

**১০ অক্টোবৰ, ২০২৩ (মঙ্গলবাৰ)**++

দিনৰ ১১-০০ বজাত ঃ জনপ্ৰিয় বিজ্ঞান বক্তৃতাৰ অনুষ্ঠান
আয়োজক ঃ **পদাৰ্থ বিজ্ঞান বিভাগ**
বক্তা ঃ **ড° কাকলি ভূঞা** আৰু **ড° লিটুল বকতিয়াল**

বিয়লি ১-০০ বজাত ঃ গ্ৰন্থ সম্পৰ্কীয় লিখিত কুইজ প্ৰতিযোগিতা
(নৰ্থ লখিমপুৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত)

সন্ধ্যা ৬-০০ বজাত ঃ **লখিমপুৰ বালিকা মহাবিদ্যালয়**ৰ ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠান

**১১ অক্টোবৰ, ২০২৩ (বুধবাৰ)**++

দিনৰ ১০-৩০ বজাত ঃ জনপ্ৰিয় বক্তৃতানুষ্ঠান
বিষয় ঃ পৃথিৱীৰ জীৱন পঞ্জী
আয়োজক ঃ **ভূগোল বিভাগ**

দিনৰ ১২-৩০ বজাত ঃ বক্তৃতা আৰু অন্তৰংগ আলাপ
বক্তা ঃ **জুৰি বৰা বৰগোহাঞি**
বিষয় ঃ ঔপন্যাসিক হিচাপে মোৰ যাত্ৰা আৰু প্ৰাপ্তি
বক্তা ঃ **লক্ষীনন্দন বৰগোহাঞি**
বিষয় ঃ অসমীয়া মানুহৰ গলবস্ত্ৰ

সন্ধ্যা ৬-০০ বজাত ঃ ভ্ৰমণ বিৰতি (বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান)
আয়োজক ঃ **সৌৰভ কুমাৰ চলিহা ছাত্ৰ নিবাস**

**১২ অক্টোবৰ, ২০২৩ (বৃহস্পতিবাৰ)++**

পুৱা ১০-০০ বজাত ঃ মাধ্যমিক পর্যায়ৰ ছাত্র-ছাত্রীৰ মাজত জিলা ভিত্তিক বক্তৃতা আৰু কুইজ প্রতিযোগিতা (নৱম শ্রেণীৰ পৰা দ্বাদশ শ্রেণীলৈ)
সমন্বয়ক ঃ **ধৰিত্রী বৰুৱা**

দিনৰ ১২-০০ বজাত ঃ ছাত্র একতা সভাৰ ন-পুৰণি বিষয়ববীয়াৰ সন্মিলন
সমন্বয়ক ঃ **ৰবীন শর্মা**

সন্ধ্যা ৫-৩০ বজাত ঃ **ইন্দিৰা মিৰি ছাত্রী নিবাসৰ** বর্ণাঢ্য অনুষ্ঠান

**১৩ অক্টোবৰ, ২০২৩ (শুকুৰবাৰ)++**

দিনৰ ১১-৩০ বজাত ঃ কিতাপ আৰু আলাপ
মুখ্য অতিথি ঃ **ধনদা দেৱী**
সমন্বয়ক ঃ **ড° ধনৰঞ্জন কলিতা**

বিয়লি ১-৩০ বজাত ঃ পোনা দেৱী সোঁৱৰণী জননী বঁটা (২০২৩) প্রদান অনুষ্ঠান

সন্ধ্যা ৫-৩০ বজাত ঃ **নৱছাত্ৰাবাসৰ** বর্ণাঢ্য অনুষ্ঠান

**১৪ অক্টোবৰ, ২০২৩ (শনিবাৰ)++**

দিনৰ ১১-০০ বজাত ঃ দলীয় আলোচনা প্রতিযোগিতা
বিষয় ঃ 'জি-২০-ৰ সন্মিলন আৰু ভাৰত ঃ প্রত্যাশা আৰু প্রত্যাহ্বান' [G-20 Summit and India : Prospects and Challenges]
সভাপতি ঃ **ড° দিগন্ত হাতীবৰুৱা**
সমন্বয়ক ঃ **ড° চুচেংফা গগৈ**
আয়োজক ঃ **ৰাজনীতি বিজ্ঞান বিভাগ**

সন্ধ্যা ৬-০০ বজাত ঃ **ড° শংকৰ পাটোৱাৰীৰ** সংগীতানুষ্ঠান

**১৫ অক্টোবৰ, ২০২৩ (দেওবাৰ)++**

দিনৰ ১২-০০ বজাত ঃ আশুতোষ মুখোপাধ্যায়ৰ মৃত্যু শতবর্ষ উপলক্ষে বিশেষ অনুষ্ঠান
মুখ্য অতিথি ঃ **বাসুদেৱ দাস**, বিশিষ্ট অনুবাদক, কলকাতা

সন্ধ্যা ৫-৩০ বজাত ঃ কবি সন্মিলন
সঞ্চালক ঃ **ৰাজীৱ বৰা**, বিশিষ্ট কবি আৰু সমালোচক
সমন্বয়ক ঃ **ড° ৰাতুল কুমাৰ লাহন** আৰু **ড° ধীৰাজ পাটৰ**

**১৬ অক্টোবৰ, ২০২৩ (সোমবাৰ)++**

পুৱা ১১-০০ বজাত ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবর্ষ উপলক্ষে আলোচনা-চক্র
মুখ্য অতিথি ঃ **ড° শেখ মকবুল ইছলাম**, অধ্যাপক তথা বিশিষ্ট গৱেষক, কলকাতা
বিশিষ্ট অতিথি ঃ **ড° পল্লৱী ডেকা বুজৰবৰুৱা**, অধ্যাপিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়

বিয়লি ১-০০ বজাত ঃ সামৰণি তথা বঁটা বিতৰণি অনুষ্ঠান

সন্ধ্যা ৫-০০ বজাত ঃ মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান
আয়োজক ঃ **অসমীয়া বিভাগ**